● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

দিগ্‌দৰ্শন

আপোনাৰ ক্ষেত্ৰত যি হয় সেয়া জীৱনৰ ১০ শতাংশহে আৰু বাকী ৯০ শতাংশ হৈছে আপুনি ইয়াক কেনেদৰে সঁহাৰি দিয়ে।

লু হ্ণটজ্
মাৰ্কিন ক্ৰীড়াবিদ

৭ পাঁচ বেক্টেৰিয়াৰ কাৰণত ভাৰতত ৬.৮ লাখৰ মৃত্যু
১৫ বিশ্বকাপত আজি জাৰ্মানী-স্পেইনৰ অভিযান
৪ বৈষম্যৰ চাকনৈয়াত সমতাৰ অধিকাৰ

RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ৪৯ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৬ আঘোণ ১৪২৯ ভাস্কৰাব্দ ২৩ নৱেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 23 November 2022 মূল্য ঃ ৯.০০ টকা

■ অবৈধ কাঠ কঢ়িওৱা বাহন-আটক কৰা লোকক এৰি দিবলৈ আক্ৰমণ ঃ অসম আৰক্ষী

■ দুৰ্বৃত্তৰ আক্ৰমণত অসমৰ এজন বনৰক্ষীৰ মৃত্যু ঃ অসম আৰক্ষীৰ গুলিত পাঁচ খাচী নিহত

সীমান্তত ৰক্তক্ষয়ী সংঘৰ্ষত নিহত ছয়

■ সীমান্তৰ বিবাদ নিষ্পত্তিৰ প্ৰচেষ্টাৰ সময়তে পুনৰ হিংসা

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

গুৱাহাটী/খেৰণি/ডংকামোকাম, ২২ নৱেম্বৰ ঃ আজি নিচেই পুৱাতে অসমৰ পশ্চিম কাৰ্বি আংলং আৰু মেঘালয়ৰ পশ্চিম জয়ন্তীয়া পাহাৰ জিলাৰ সীমান্তত অৱস্থিত মুক্ৰ'ত অসম আৰক্ষী-বনৰক্ষী আৰু মেঘালয়ৰ লোকৰ মাজত সংঘটিত সংঘৰ্ষৰ এক ঘটনাত ছজন লোকে প্ৰাণ হেৰুৱায়। নিহতসকলৰ এজন অসমৰ বনৰক্ষী বাহিনীৰ জোৱান। আন পাঁচজন মেঘালয়ৰ বাসিন্দা। ৰাজ্য দুখনৰ মাজত দীৰ্ঘদিন চলি অহা সীমা সমস্যাৰ সমাধানৰ প্ৰচেষ্টা চলি থকাৰ মাজতে মুক্ৰ'ত সংঘটিত এই ঘটনাই দুয়োখন ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাক লৈ প্ৰশাসনীয় স্তৰতো বাদ-বিবাদ আৰম্ভ হৈছে। পশ্চিম কাৰ্বি আংলং আৰক্ষীয়ে সদৰী কৰা অনুসৰি, এখন চোৰাং কাঠ কঢ়িওৱা ট্ৰাকৰ চালক, হেণ্ডিমেন আৰু অন্যান্য *১০ পৃষ্ঠাত চাওক*

আৰক্ষীৰ গুলিত ঢলি পৰা লোক আৰু জব্দ কৰা ট্ৰাকখন, পশ্চিম কাৰ্বি আংলং-মেঘালয় সীমান্তৱৰ্তী মুক্ৰ'ত মঙলবাৰে।

উদং দিছপুৰ! মন্ত্ৰী-বিধায়ক-আমোলাৰ দলৰ দিল্লী-ঢাকাত বাহৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী,২২ নৱেম্বৰ ঃ মন্ত্ৰী-উচ্চপদস্থ বিষয়া বাদেই, দিছপুৰত এতিয়া পাবলৈ নোহোৱা হৈছে শাসক বা বিৰোধী পক্ষৰ বিধায়ককো। প্ৰকৃততে নতুন দিল্লীত ৰাজ্য চৰকাৰৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত বীৰ লাচিতৰ চাৰিশ বছৰীয়া জন্মজয়ন্তীৰ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় *আঠ পৃষ্ঠাত চাওক*

নিষিদ্ধ জেহাদী সংগঠনৰে জড়িত থকাৰ সন্দেহত পুনৰ এজনক আটক

লক্ষ্ণৌত এনআইএই জেৰা কৰিছিল

ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

গুৱাহাটী/নগাঁও/জুৰীয়া, ২২ নৱেম্বৰ ঃ নগাঁও আৰক্ষীয়ে আজি জুৰীয়াৰ পৰা জেহাদী কাৰ্যকলাপৰ লগত জড়িত *১০ পৃষ্ঠাত চাওক*

■ তদন্ত ঘোষণা কৰিও প্ৰকাৰান্তৰে দোষ স্বীকাৰ অসম চৰকাৰৰ

ঘটনাত জড়িত সকলো আৰক্ষী-বনকৰ্মীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা

■ পশ্চিম কাৰ্বি আংলঙৰ আৰক্ষী অধীক্ষকক বদলি-অ'চিৰ লগতে বন বিষয়াক নিলম্বন ■ মেঘালয়ৰ নিহত পাঁচজন লোকৰ নিকটাত্মীয়লৈ পাঁচ লাখকৈ টকাৰ ক্ষতিপূৰণ ঘোষণা ■ কেন্দ্ৰীয়-নিৰপেক্ষ সংস্থাৰ দ্বাৰা তদন্তৰ সিদ্ধান্ত দিছপুৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২২ নৱেম্বৰ ঃ অসম-মেঘালয় সীমান্তৰ মুক্ৰ'ত আজি সংঘটিত ৰক্তক্ষয়ী ঘটনাৰ বাবে অসমে প্ৰকাৰান্তৰে নিজৰ দোষ স্বীকাৰ কৰিলে বুলি চৰ্চিত হৈছে। কাৰণ এই ঘটনাক লৈ আজি অসম চৰকাৰে কে'বাটাও সিদ্ধান্ত ঘোষণা কৰে। আজি এক নিৰ্দেশযোগে অসম চৰকাৰে পশ্চিম কাৰ্বি আংলং জিলাৰ আৰক্ষী অধীক্ষক ইমদাদ আলীক তৎকালে কাৰ্যকৰী হোৱাকৈ বদলি কৰে। তাৰ উপৰি জিৰিকিন্দিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কাজল নাথক নিলম্বন কৰা হয়। একেদৰে খেৰণি ফৰেষ্ট ৰেঞ্জৰ বন সুৰক্ষা বিষয়া শিকাৰী ইংহিকো নিলম্বন কৰা হৈছে। ইয়াৰ লগতে ঘটনাত জড়িত থকা আৰক্ষী আৰু বন বিভাগৰ অন্যান্য *১০ পৃষ্ঠাত চাওক*

■ হিংসাৰ আশংকা সাতখন জিলাত ৪৮ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা বন্ধ কৰিলে মেঘালয়ে

■ জৰুৰীকালীন কেবিনেট বৈঠক ■ কেন্দ্ৰীয় সংস্থাক তদন্তৰ দায়িত্ব দিবলৈ দিল্লীক অনুৰোধ

মেঘালয়ত প্ৰৱেশ কৰি অসম আৰক্ষী, বনৰক্ষীৰ অপ্ৰৰোচিত গুলি ঃ চাংমা

■ নিউজ ব্যুৰ'

শ্বিলং, ২২ নৱেম্বৰ ঃ অসম-মেঘালয় সীমান্তত সংঘটিত ছজনকৈ লোকৰ প্ৰাণ কাঢ়ি নিয়া হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত মেঘালয় চৰকাৰে ৰাজ্যখনত ইণ্টাৰনেট ডাটা সেৱা ৪৮ ঘণ্টাৰ বাবে বন্ধ কৰি দিছে। আজি পুৱা ১০-৩০ বজাৰ পৰা ৪৮ ঘণ্টাৰ বাবে মেঘালয়ৰ সাতখন জিলাত ইণ্টাৰনেট সেৱা বন্ধ কৰি দিয়া হয়। এই জিলাকেইখন হৈছে পশ্চিম জয়ন্তীয়া পাহাৰ, পূৱ জয়ন্তীয়া পাহাৰ, পূৱ খাছি পাহাৰ, ৰিভয়', পশ্চিম-দক্ষিণ খাছী পাহাৰ, পশ্চিম খাছি পাহাৰ আৰু দক্ষিণ-পশ্চিম খাছি পাহাৰ।

মেঘালয়ৰ দিশৰ পৰা অবৈধ কাঠ কঢ়িয়াই নিয়া ট্ৰাক অসমৰ বন বিভাগ-আৰক্ষীয়ে জব্দ কৰাক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মেঘালয়ৰ পাঁচজন আৰু অসমৰ এজনকে ধৰি মুঠ ছজন লোকে প্ৰাণ হেৰুৱায়। ইপিনে, মেঘালয়ৰ *১০ পৃষ্ঠাত চাওক*

■ শ্বিলঙৰ ঝালুপাৰাত গুৱাহাটী অভিমুখী স্কৰপিঅ' জ্বলাই দিলে দুৰ্বৃত্তই ■ আক্ৰমণৰ আশংকাত অনিৰ্দিষ্ট কাললৈ চুবুৰীয়া ৰাজ্যখন ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ

অসমৰ বাহনৰ মেঘালয়ত প্ৰৱেশত বাধা অসম আৰক্ষীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী,২২ নৱেম্বৰ ঃ পশ্চিম কাৰ্বি আংলং জিলাৰ মুক্ৰ'ত আজি সংঘটিত গুলিচালনাৰ ঘটনাৰ পাছতে আশংকা কৰা ধৰণে শ্বিলঙত আজি দুৰ্বৃত্তই জ্বলাই দিলে গুৱাহাটী অভিমুখী এখন বাহন। আজি নিশা প্ৰায় ন বজাত শ্বিলঙৰ পৰা গুৱাহাটীলৈ আহি *১০ পৃষ্ঠাত চাওক*

ঊষা মংগেশকাৰক ড° ভূপেন হাজৰিকা সমন্বয় বঁটা প্ৰদান

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২২ নৱেম্বৰ ঃ প্ৰথিতযশা গায়িকা ঊষা মংগেশকাৰক আজি অসম সাহিত্য সভাৰ ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক সমন্বয় *১০ পৃষ্ঠাত চাওক*

■ বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা ভূপেন বৰাৰ

অপৰাধীৰ হাতত গুৱাহাটীক সপি নিদ্ৰাৰত আৰক্ষী ঃ কংগ্ৰেছ

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

গুৱাহাটী/মৰিগাঁও/জাগীৰোড,২২ নৱেম্বৰ ঃ গুৱাহাটী এতিয়া আৰক্ষীৰ নিয়ন্ত্ৰণত নাই, চোৰ-ডকাইতৰ নিয়ন্ত্ৰণত চলি আছে গুৱাহাটী। কালি পাঞ্জাবীত দিন দুপৰতে এজন ব্যৱসায়ীক দুৰ্বৃত্তই গুলীয়াই হত্যা কৰাৰ পাছত আজি পুৱা ডাউন টাউন হাস্পতালৰ সমীপত এগৰাকী মহিলাৰ ডিঙিৰ সোণৰ চেইন, খাৰু, নগদ ধন থকা বেগ আদি কাঢ়ি লৈ যোৱাৰ ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি এইদৰে চৰকাৰক সমালোচনা কৰে প্ৰদেশ *আঠ পৃষ্ঠাত চাওক*

উত্তৰ-পূৰ্বাঞ্চলত প্ৰতি বছৰে বৃদ্ধি পাইছে শিশু কৰ্কট ৰোগী

বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানলৈ বছৰি আহে চাৰিশজন শিশু কৰ্কট ৰোগী

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২২ নৱেম্বৰ ঃ বিশ্বত বছৰি প্ৰায় তিনি লাখ শিশুৰ দেহত ধৰা পৰে কৰ্কট ৰোগ আৰু ইয়াৰ ভিতৰত ৭৫ হেজাৰ শিশুৱেই হৈছে ভাৰতৰ। সমান্তৰালভাৱে উত্তৰ-পূৰ্বত বছৰি প্ৰায় ৩৯ হেজাৰ লোকৰ দেহত কৰ্কট ৰোগৰ উপস্থিতি পোৱা যায় আৰু ইয়াৰে প্ৰায় চাৰিশ হৈছে শিশু। বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ সমীক্ষাত এই *আঠ পৃষ্ঠাত চাওক*

■ পলাতক ঠিকাদাৰ মিঠু আগৰৱালক ৱাণ্টেড ঘোষণা আৰক্ষীৰ

বোকা-জাবৰ নিষ্কাসনৰ নামত নমাহত ৪০ কোটি টকাৰ দুৰ্নীতি পৌৰ নিগমৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২২ নৱেম্বৰ ঃ কৃত্ৰিম বানত মহানগৰবাসী ককবকাই থকাৰ সময়তে নলা-নৰ্দমাৰ পৰা বোক-জাবৰ নিষ্কাসনৰ নামত গুৱাহাটী পৌৰ নিগমত প্ৰায় ৪০ কোটি টকাৰ দুৰ্নীতি সংঘটিত হৈছিল। ভুৱা বিলেৰে কোটি কোটি টকা শৰাধ কৰাৰ অভিযোগত গুৱাহাটী পৌৰ নিগমৰ ১৩জনকৈ বিষয়া, অভিযন্তা আৰু ঠিকাদাৰক গ্ৰেপ্তাৰ কৰি মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ পাছতে ন ন তথ্য পোহৰলৈ আহিছে। তাৰ মাজতে নিবিদাত অংশগ্ৰহণ নকৰাকৈ অজ্ঞাত শক্তিৰ বলত বোকা-জাবৰ নিষ্কাসনৰ ঠিকা লাভ কৰা তথা নিজকে মন্ত্ৰীৰ ঘনিষ্ঠ বুলি দাবী কৰি অহা ঠিকাদাৰ মিঠু আগৰৱালক *আঠ পৃষ্ঠাত চাওক*

ধৃত বিষয়া-অভিযন্তা মিলি চলাইছিল হৰিলুট

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৮°	১৭°
ডিব্ৰুগড়	২৭°	১৪°
দিল্লী	২৬°	১১°
কলকাতা	২৮°	১৭°
মুম্বাই	৩১°	২৩°
চেন্নাই	২৭°	২৪°
বাংগালুৰু	২৪°	১৯°
শ্বিলং	২০°	০৯°

২২ নৱেম্বৰ, ২০২২

চোৰাং বিদেশী ছিগাৰেটে গুৱাহাটীত শুল্ক বিভাগৰ বৃহৎ অভিযান

মহানগৰীৰ কুৰিয়াৰ প্ৰতিষ্ঠানৰ পৰা চালান

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২২ নৱেম্বৰ ঃ কেন্দ্ৰীয় শুল্ক বিভাগে অসমত আৰম্ভ কৰিছে বিদেশী চিগাৰেট মজুতকৰণ আৰু ব্যৱসায়ৰ *আঠ পৃষ্ঠাত চাওক*

■ বিশ্বকাপৰ প্ৰথমখন খেলতেই ছৌদি আৰবৰ বিপক্ষে অপ্ৰত্যাশিত পৰাজয় আৰ্জেণ্টিনাৰ

কাটাৰত অঘটন, মৰু ধুমুহাত উৰি গ'ল মেছি-বাহিনী



ষষ্ঠ বাৰলৈ বিশ্বকাপৰ প্ৰথম খেলতে পৰাজিত



■ নিউজ ব্যুৰ'

ড'হা, ২২ নৱেম্বৰ ঃ একেবাহে ৩৬খন খেলত অপৰাজিত হৈ থাকি অন্যতম খিতাপ-প্ৰত্যাশী দলৰূপে কাটাৰত উপস্থিত হৈছিল আৰ্জেণ্টিনা। নেতৃত্বত সাম্প্ৰতিক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ ফুটবলাৰ লিয়নেল মেছি। সৰ্বকালৰ শ্ৰেষ্ঠ ফুটবলাৰৰূপে চিহ্নিত হোৱাৰ বাবে মেছিক প্ৰয়োজন বিশ্বকাপৰ ট্ৰফী। অধিনায়কৰ অন্তিম বিশ্বকাপত তেওঁৰ হাতত ট্ৰফী তুলি দিয়াৰ লক্ষ্যৰেই এইবাৰ কাটাৰত উপস্থিত হৈছে আৰ্জেণ্টিনা দল; *১০ পৃষ্ঠাত চাওক*

■ ২২ ৰাজ্যৰ ২৪০ শিশু বিজ্ঞানীৰ অংশগ্ৰহণ ■ দুৰ্ঘটনা ৰোধ কৰিব পৰা গাড়ী-জৰুৰীকালীন সময়ত প্ৰাণ বচাব পৰা সুবিধাযুক্ত হেলিকপ্টাৰ-বায়ু প্ৰদূষণ ৰোধ কৰিব পৰা যন্ত্ৰ প্ৰদৰ্শন

চমকপ্ৰদ উদ্ভাৱনৰে শিশু বিজ্ঞানীৰ প্ৰদৰ্শনী

নতুন নতুন চিন্তাৰ অন্বেষণ ঘটাব শিশু বিজ্ঞানীৰ আৱিষ্কাৰে ঃ প্ৰদৰ্শনী মুকলি কৰি ক'লে ৰাজ্যপাল মুখীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী,২২ নৱেম্বৰ ঃ আইআইটি বা কোনো অভিযান্ত্ৰিক শিক্ষানুষ্ঠানৰ ছাত্ৰ নহয়, বৰঞ্চ হাইস্কুল পৰ্যায়তে একাংশ শিশু বিজ্ঞানীয়ে উদ্ভাৱন কৰি উলিয়াইছে কিছু চমকপ্ৰদ বৈজ্ঞানিক আহিলা। স্বপ্নৰ পৃথিৱীখনৰ ভৱিষ্যতৰ দিনসমূহত মানুহৰ দৈনন্দিন জীৱন ধাৰণত প্ৰয়োজনীয় আহিলাসমূহক আধুনিক ৰূপ দিয়াৰ প্ৰশংসনীয় পদক্ষেপ। কাৰোবাৰ চিন্তাৰ ফচলে যদিহে এখন সুৰক্ষিত হেলিকপ্টাৰৰ আৰ্হি সাজু কৰি উলিয়াইছে, আন কোনোবাজনে আকৌ পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ চাৰিচকীয়া বাহনখনত সংযোজন কৰিছে কেতবোৰ অত্যাধুনিক সংকেত তথা দুৰ্ঘটনা ৰোধ কৰিব পৰা ব্যৱস্থাৱলী। কোনোখন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে আকৌ তাহানিৰ গৰু গাড়ীখনকে বিজ্ঞানৰ পৰশেৰে আধুনিক ৰূপ দিছে আৰু গাড়ীখন টানি নিয়াৰ সময়ত গৰুহালে *১০ পৃষ্ঠাত চাওক*

মিছামাৰীৰ বিয়ালৈ আহি পৃথক দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে সাতজনে

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা

তেজপুৰ/ঠেলামৰা/কলিয়াবৰ, ২২ নৱেম্বৰ ঃ শোণিতপুৰৰ মিছামাৰীৰ কলাকুছি অঞ্চলত অনুষ্ঠিত এখন বিবাহলৈ আহি যোৱা নিশা পৃথক দুৰ্ঘটনাত সাতজন লোকে প্ৰাণ হেৰুৱায়। কলিয়াবৰত এখন বাহনত অহা পাঁচজন লোক থিতাতে নিহত হোৱাৰ উপৰি উক্ত বিয়াৰ পৰা উভতি যোৱা দুজন যুৱকে তেজপুৰৰ সমীপৱৰ্তী নিজ বিহগুৰিত দুৰ্ঘটনাগ্ৰস্ত হৈ প্ৰাণ হেৰুৱায়। *১০ পৃষ্ঠাত চাওক*

কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে গুৱাহাটীৰ মেলাত নৱনিযুক্ত প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰিলে

ৰোজগাৰ মেলাত ৭১ হেজাৰ নৱনিযুক্ত প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান মোদীৰ

নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ

দিল্লী/গুৱাহাটী, ২২ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ৰোজগাৰ মেলাৰ অধীনত নৱনিযুক্ত প্ৰাৰ্থীসকলক ৭১ হেজাৰ নিযুক্তিপত্ৰ বিতৰণ কৰে। ৰোজগাৰ মেলাই নিযুক্তি সৃষ্টিত সহায়ক হিচাপে কাম কৰিব আৰু যুৱ প্ৰজন্মৰ সবলীকৰণৰ লগতে ৰাষ্ট্ৰীয় উন্নয়নত প্ৰত্যক্ষ অংশগ্ৰহণৰ বাবে তেওঁলোকক অৰ্থপূৰ্ণ সুযোগ প্ৰদান কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। সমবেতসকলক *১০ পৃষ্ঠাত চাওক*

চেঙা তেল

ধৰা পৰা ঠিকাদাৰকেইজন বোলে ছাৰৰে মানুহ, এতিয়া তদন্ত কেনেকৈ চলাই নিয়ে তাকে লৈ চিন্তিত!